**2022**

# LINGUISTICS

( Honours Generic/Regular )

Paper : LIN-HG/RC-3016

**( Structure of Assamese I : Phonology )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer any *ten* of the following as directed : 1×10=10

তলত দিয়াবোৰৰ যি কোনো দহটাৰ নিৰ্দেশানুযায়ী উত্তৰ দিয়া :

(a) Write the name of a back vowel in Assamese.

অসমীয়া ভাষাৰ এটা পশ্চ স্বৰবৰ্ণৰ নাম লিখা।

(b) Write the name of a vowel sound in Assamese that is produced by the front part of the tongue.

জিভাৰ অগ্ৰভাগ ব্যৱহাৰ কৰি উচ্চাৰণ কৰা অসমীয়া ভাষাৰ এটা স্বৰবৰ্ণৰ নাম লিখা।

(c) /ɦ/ in Assamese is a voiceless / voiced sound.

( Choose the correct option )

অসমীয়া ভাষাৰ /ɦ/ ধ্বনিটো অঘোষ / সঘোষ ধ্বনি।

( শুদ্ধ বিকল্পটো বাছি উলিওৱা )

(d) Write an Assamese word that has two syllables.

দুটা অক্ষৰযুক্ত অসমীয়া ভাষাৰ এটা শব্দ লিখা।

(e) What is meant by coda?

অক্ষৰান্ত বুলিলে কি বুজা?

(f) Write the name of a nasal sound in Assamese.

অসমীয়া ভাষাৰ নাসিক্য বৰ্ণ এটাৰ নাম লিখা।

(g) Write the phonological property of /ɦ/ sound in Assamese.

অসমীয়া ভাষাৰ /ɦ/ ধ্বনিৰ ধ্বনিগত বৈশিষ্ট্য লিখা।

(h) How many unaspirated sounds are there in Assamese?

অসমীয়া ভাষাত কেইটা অল্পপ্ৰাণ ধ্বনি আছে?

(i) How many semivowels are found in Assamese?

অসমীয়া ভাষাত অৰ্ধস্বৰ কেইটা পোৱা যায়?

(j) Write the phonological property of /ɔ/ sound in Assamese.

অসমীয়া ভাষাৰ /ɔ/ ধ্বনিৰ ধ্বনিগত বৈশিষ্ট্য লিখা।





(k) How many syllables are there in the word /kɔrilʊ/ in Assamese?

অসমীয়া ভাষাৰ /kɔrilʊ/ (কৰিলো) শব্দটোত কেইটা অক্ষৰ আছে?

(l) What is allophone?

উপধ্বনি কি?

(m) Write a name of Assamese consonant phoneme produced by two lips.

ওঁঠ দুখন ব্যৱহাৰ কৰি উচ্চাৰণ কৰা এটা অসমীয়া ব্যঞ্জনধ্বনিৰ নাম লিখা।

(n) /w/ is a semivowel / trill sound.

( Choose the correct option )

/w/ হৈছে এটা অৰ্ধস্বৰ / কম্পিত ধ্বনি।

( শুদ্ধ বিকল্পটো বাছি উলিওৱা )

(o) What is meant by affricate sounds?

ঘৃষ্ট ধ্বনি বুলিলে কি বুজা?

(p) What do you mean by sonorant sounds?

মুখৰ ধ্বনি বুলিলে কি বুজা?

(q) What do you understand by oral vowels?

মৌখিক স্বৰধ্বনি বুলিলে কি বুজা?

(r) What are speech organs?

বাগিন্দ্ৰিয় কি?

2. Define any *five* of the following : 2×5=10

তলত দিয়াবোৰৰ যি কোনো পাঁচটাৰ সংজ্ঞা দিয়া :

(a) Glide
শ্ৰুতিধ্বনি

(b) Glottal stop
কণ্ঠীয় নিয়ত ধ্বনি

(c) Acoustic phonetics
শ্ৰৱণাত্মক ধ্বনিবিজ্ঞান

(d) Closed syllable
বন্ধ অক্ষৰ

(e) Onset
প্ৰাক্ষৰ

(f) Intermediate sounds
অন্তঃস্থ ধ্বনি

(g) Supra-segmental sounds
অবিভাজ্য ধ্বনি

(h) Fricative sounds
ঘৃষ্ট ধ্বনি

(i) Morphophonemics
তিৰ্যক ৰূপগ্ৰাম বিজ্ঞান

(j) Monosyllable
একাক্ষৰ





3. Answer any *four* of the follownig questions : 5×4=20

তলত দিয়া প্ৰশ্নবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) How many vowels are there in Assamese? How are they classified?
অসমীয়া ভাষাত স্বৰবৰ্ণ কেইটা? এই সমূহৰ কেনেদৰে বিভাজন কৰা হয়?

(b) What are the aspirated sounds in Assamese? Write about the phonological property of each of them.
অসমীয়া ভাষাৰ মহাপ্ৰাণ বৰ্ণ কেইটা? সিহঁতৰ প্ৰতিটোৰ ধ্বনিগত বৈশিষ্ট্যৰ বিষয়ে লিখা।

(c) What are the organs used in the production of vowel sounds? How are the vowels in Assamese classified on the basis of the property of each organ?
স্বৰবৰ্ণ উচ্চাৰণ কৰোঁতে ব্যৱহাৰ হোৱা বাগিন্দ্ৰিয়কেইটা কি কি? প্ৰতিটো বাগিন্দ্ৰিয়ৰ বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি অসমীয়া ভাষাৰ স্বৰবৰ্ণসমূহক কেনেকৈ বৰ্গীকৰণ কৰা হয়?

(d) Write a note on Assamese alveolar sounds.
অসমীয়া ভাষাৰ দন্তমূলীয় ধ্বনিৰ ওপৰত এটি টোকা লিখা।

(e) Discuss the role of glottis and vocal chord in the production of sounds.
ধ্বনি উচ্চাৰণত কণ্ঠ আৰু স্বৰতন্ত্ৰীৰ ভূমিকাৰ বিষয়ে আলোচনা কৰা।

(f) Describe the voiceless sounds in Assamese.
অসমীয়া ভাষাৰ অঘোষ ধ্বনিবিলাকৰ বিৱৰণ দিয়া।

(g) Write a note on nasalization in Assamese.
অসমীয়া ভাষাৰ অনুনাসিক্যীভৱনৰ ওপৰত এটি টোকা লিখা।

(h) Write a note on vowel length.
স্বৰ দৈৰ্ঘ্যৰ ওপৰত এটি টোকা লিখা।

4. Answer any *four* of the following questions : 10×4=40
তলত দিয়া প্ৰশ্নবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) What is the basis of the distinction between voiceless and voiced sounds? What are the voiced sounds in Assamese? Discuss the phonological property of each voiced consonant exists in Assamese.
অঘোষ আৰু সঘোষ ধ্বনি বিভাজনৰ ভিত্তি কি? অসমীয়া ভাষাৰ সঘোষ ধ্বনিসমূহ কি কি? অসমীয়া ভাষাত থকা প্ৰতিটো সঘোষ ব্যঞ্জনধ্বনিৰ ধ্বনিগত বৈশিষ্ট্য আলোচনা কৰা।

(b) What is stress? Write a note on stress in Assamese.
শ্বাসাঘাত কি? অসমীয়া ভাষাৰ শ্বাসাঘাতৰ ওপৰত এটি টোকা লিখা।





(c) What do you mean by speech organs? Draw a picture of nasal, oral and pharyngeal cavity and show different speech organs that are used in the production of sounds.
বাগিন্দ্ৰিয় বুলিলে কি বুজা? নাসিকাবিবৰ, মুখবিবৰ আৰু গলকোষীয় বিবৰৰ এখন ছবি আঁকা আৰু ধ্বনি উচ্চাৰণত ব্যৱহৃত বিভিন্ন বাগিন্দ্ৰিয়সমূহ দেখুওৱা।

(d) How many sonorant sounds are found in Assamese language and what are they? Why are they called sonorants? Discuss how they can be established as phonemes in Assamese language with examples.
অসমীয়া ভাষাত মুখৰ ধ্বনি কেইটা আৰু কি কি? ইহঁতক কিয় মুখৰ ধ্বনি বুলি কোৱা হয়? এই ধ্বনিকেইটাক অসমীয়া ভাষাত কেনেকৈ ধ্বনিগত মৰ্যাদা প্ৰদান কৰিব পাৰি, উদাহৰণসহ আলোচনা কৰা।

(e) What is meant by dental sounds? Is there any dental sound in Assamese? Discuss the articulatory places which are used to produce stops and fricatives in Assamese.
দন্ত্য ধ্বনি বুলিলে কি বুজা? অসমীয়া ভাষাত দন্ত্য ধ্বনি আছেনে? অসমীয়া ভাষাত নিয়ত আৰু ঘৃষ্ট ধ্বনিসমূহৰ উচ্চাৰণৰ বাবে কি কি উচ্চাৰণৰ স্থান ব্যৱহাৰ কৰা হয়, আলোচনা কৰা।

* * *

(f) Write the phonological property of each vowel sound in Assamese and provide at least two Assamese words where each vowel is used.
অসমীয়া ভাষাৰ প্ৰতিটো স্বৰবৰ্ণৰ ধ্বনিগত বৈশিষ্ট্য লিখা আৰু প্ৰতিটো স্বৰবৰ্ণ প্ৰয়োগ হোৱা অন্তত দুটাকৈ অসমীয়া শব্দ আগবঢ়োৱা।

(g) What do you understand by stops? What are the types of stop sounds? Write a note on stop sounds in Assamese?
নিয়ত ধ্বনি বুলিলে কি বুজা? নিয়ত ধ্বনি কেইপ্ৰকাৰৰ? অসমীয়া ভাষাৰ নিয়ত ধ্বনিৰ ওপৰত এটি টোকা লিখা।

(h) Discuss about vowel and consonant phonemes in Assamese.
অসমীয়া ভাষাৰ স্বৰবৰ্ণ আৰু ব্যঞ্জনবৰ্ণ সম্পৰ্কে আলোচনা কৰা।

(i) What is meant by phoneme? Discuss the criteria for identifying phonemes.
বিশিষ্ট ধ্বনি বুলিলে কি বুজা যায়? বিশিষ্ট ধ্বনি চিনাক্তকৰণৰ মাপকাঠিসমূহ আলোচনা কৰা।

(j) What are the types of syllables? Define each of them and discuss the syllable structure of Assamese.
অক্ষৰৰ প্ৰকাৰবিলাক কি কি? সিহঁতৰ প্ৰতিটোকে সংজ্ঞাকৰণ কৰা আৰু অসমীয়া ভাষাৰ অক্ষৰৰ গঠনৰ বিষয়ে আলোচনা কৰা।

★★★